**অসম বিধানসভা**

**তৰাচিহ্নিত প্ৰশ্ন নং - ১৯৮**

**উত্তৰ দিয়াৰ তাৰিখ : ২৩-০৭-২০২৬**

**বিষয় : কোঁচ ৰাজবংশী লোক-সংস্কৃতি আৰু Kushan Nritya / Kushan Gaan সংৰক্ষণ সম্পৰ্কে ।**

**বিধায়ক : শ্ৰী ৰূপম চন্দ্ৰ ৰয় :**

**মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

ক) কোঁচ ৰাজবংশী জনগোষ্ঠী অসমৰ অন্যতম প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম । এই জনগোষ্ঠীৰ লোক-সংস্কৃতি, লোকনৃত্য, লোকগীত, নাট্যধাৰা আৰু পৰম্পৰাগত শিল্প-ঐতিহ্য বিশেষভাৱে সমৃদ্ধ। বিশেষকৈ Kushan Nritya/ Kushan Gaan কোঁচ ৰাজবংশী সমাজৰ এক মূল্যবান সাংস্কৃতিক সম্পদ। এই ঐতিহ্যৰ সংৰক্ষণ, documentation, training, research , artist support আৰু ৰাষ্ট্ৰীয় তথা আন্ত:ৰাষ্ট্ৰীয় পৰ্য্যায়ত অধিক প্ৰচাৰ-প্ৰসাৰৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে অথবা কোনো বিশেষ পৰিকল্পনা আছে নেকি ?

খ) Kushan Nritya / Kushan Gaan ৰ ব্যাপক প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে mass cultural performance, state-level festival, documentary film, digital archive আৰু বৃহৎ পৰ্য্যায়ৰ সাংস্কৃতিক উদ্যোগ গ্ৰহণ কৰাৰ কোনো পৰিকল্পনা আছে নেকি ?

গ) Kushan শিল্পীসকলৰ দীৰ্ঘ্যম্যাদী বিকাশৰ বাবে artist registration, guru-shishya training, costume আৰু traditional instrument support, cultural research আৰু annual festival support অধিক শক্তিশালী কৰাৰ কোনো ব্যৱস্থা আছে নেকি ?

ঘ) কোঁচ ৰাজবংশী সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে কোনো dedicated cultural centre, archive, folk performance stage অথবা district-level Kushan training centre স্থাপন কৰাৰ পৰিকল্পনা আছে নেকি ?

**উত্তৰ**

**সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা মাননীয় মন্ত্ৰী মহোদয় শ্ৰী যুত বিমল বড়াদেৱৰ হৈ মাননীয় মন্ত্ৰী মহোদয় শ্ৰী যুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিব-**

ক) কোঁচ ৰাজবংশী জনগোষ্ঠীৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰচাৰৰ লক্ষ্যৰে অসম চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিশেষকৈ Kushan Nritya/Kushan Gaan-কে ধৰি লোক-সংস্কৃতি, লোকনৃত্য, লোকগীত, নাট্যধাৰা আৰু পৰম্পৰাগত শিল্পকলাৰ সংৰক্ষণ আৰু বিকাশৰ বাবে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজ্যৰ বিভিন্ন জিলাত অনুষ্ঠিত ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ সাংস্কৃতিক উৎসৱসমূহত Kushan Nritya/Kushan Gaan-সহ কোঁচ ৰাজবংশী লোক-সংস্কৃতিক নিয়মীয়াভাৱে স্থান প্ৰদান কৰি শিল্পীসকলক নিজৰ প্ৰতিভা সুযোগ সৃষ্টি কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত থকা সাংস্কৃতিক

সঞ্চালকালয়ৰ উদ্যোগত সময়ে সময়ে আয়োজিত প্ৰশিক্ষণ শিবিৰ, কৰ্মশালা আৰু সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ জৰিয়তে পৰম্পৰাগত লোকশিল্পসমূহ সংৰক্ষণ কৰাৰ লগতে নতুন প্ৰজন্মক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও, যোগ্য কোঁচ ৰাজবংশী লোকশিল্পীসকলক শিল্পী পেঞ্চন, আৰ্থিক সাহাৰ্য্য আৰু চৰকাৰী সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণৰ সুযোগ প্ৰদান কৰি তেওঁলোকৰ সামাজিক আৰু আৰ্থিক সুৰক্ষাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হৈছে। লগতে অসমৰ বৈচিত্ৰময় লোক-সংস্কৃতিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত উপস্থাপনৰ ক্ষেত্ৰত Kushan Nritya/Kushan Gaan-সহ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত শিল্পকলাক অন্তৰ্ভুক্ত কৰাৰ বাবে চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

ইয়াৰ উপৰিও অসমৰ বিভিন্ন প্ৰান্তত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত প্ৰতি বছৰে বীৰ চিলাৰায় দিৱস কেন্দ্ৰীয়ভাৱে উদযাপন কৰি অহা হৈছে। শেহতীয়াকৈ ২০২৬ চনৰ ১ ফেব্ৰুৱাৰীত দৰং জিলাৰ মঙ্গলদৈত উদযাপন কৰা বীৰ চিলাৰায় দিৱসত ১,০০০ৰো অধিক শিল্পীয়ে একেলগে কুশান নৃত্য পৰিৱেশন কৰে।

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে 'অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান' শীৰ্ষক এক অভিলাষী আঁচনিৰ অধীনত অসমৰ জাতি-জনগোষ্ঠীসমূহক লৈ এক আঁচনি গ্ৰহণ কৰিছিল। এটি জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ কলা-সংস্কৃতি, খাদ্যাভ্যাস, সাজ-পাৰ, ভাষা বিষয়ত পাৰস্পৰিক বিনিময়ৰ উদ্দেশ্যে এই আঁচনি গ্ৰহণ কৰা হৈছিল। উক্ত আঁচনিৰ প্ৰথম পৰ্যায়ৰ তৃতীয় কৰ্মশালাত কোচ-ৰাজবংশীৰ অংশগ্ৰহণকাৰী শিল্পীসকলে ডিমাচা জনগোষ্ঠীৰ কলা-সংস্কৃতি, খাদ্যাভ্যাস, সাজ-পাৰ, ভাষা আদি আৰু ডিমাচা জনগোষ্ঠীৰ অংশগ্ৰহণকাৰীসকলে কোচ-বাজবংশীৰ কলা-সংস্কৃতি খাদ্যভ্যাস, সাজ-পাৰ, ভাষা সম্পৰ্কে বিনিময় কৰিছিল। এইসমূহ কলাক্ষেত্ৰৰ আৰ্কাইভত সংৰক্ষণ কৰা হৈছে। তদুপৰি কলাক্ষেত্ৰৰ উদ্যোগত আৰু মাধ্যমেৰে আয়োজিত অনুষ্ঠানত কোচ-ৰাজবংশীৰ শিল্পীসকলক লোক-নৃত্য পৰিৱেশনৰ বাবেও সময়ে সময়ে আমন্ত্ৰণ কৰা হয় যাৰ দ্বাৰা শিল্পীসকলে পৰিৱেশনত মঞ্চ লাভ কৰাৰ উপৰিও আৰ্থিক সকাহ লাভ কৰে।

পৰ্যটন বিভাগৰ পৰা পোৱা তথ্যমতে, পৰ্যটন বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন পৰ্যটন প্ৰচাৰ সম্বন্ধীয় অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ লোক-সংস্কৃতি, লোকনৃত্য, পৰম্পৰাগত শিল্প-ঐতিহ্য আদি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়।

সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি, কোচ ৰাজবংশী জনগোষ্ঠীৰ লোক সংস্কৃতি, লোক নৃত্য, প্ৰশিক্ষণৰ কাৰণে কোচ ৰাজবংশী উন্নয়ন, পৰিষদে অসমৰ ২০ খন বিভিন্ন ঠাইত ২০২২-২০২৩ বৰ্ষত কৰ্মশালা অনুষ্ঠিত কৰে। ঠাইসমূহ হ'ল-

১।তিনিচুকিয়া ২।ডিব্ৰুগড় ৩।শিৱসাগৰ ৪।চৰাইদেউ ৫।যোৰহাট ৬।গোলাঘাট ৭।বোকাখাত ৮।ঢকুৱাখনা ৯।লখিমপুৰ ১০।মাজুলী ১১।জোনাই ১২।ধেমাজি ১৩।গহপুৰ ১৪।বিশ্বনাথ চাৰিআলি ১৫।তেজপুৰ ১৬।নগাঁও ১৭।নলবাৰী ১৮।দৰং ১৯।ৰঙিয়া ২০।বজালী ।

খ) সাংস্কৃতিক পৰিক্ৰমা বিভাগে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে সময়ে সময়ে বিভিন্ন বৃহৎ সাংস্কৃতিক অনুষ্ঠান, যেনে '**বিহু বিনন্দিনী**', '**ঝুমইৰ বিনন্দিনী**' আৰু '**বাগুৰুম্বা দহৌ**' আদি সফলতাৰে আয়োজন কৰি আহিছে। এই অনুষ্ঠানসমূহে কেৱল ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক বৈচিত্ৰ্যকেই প্ৰতিফলিত কৰা নাই, বৰঞ্চ অসমৰ ঐতিহ্য, কৃষ্টি-সংস্কৃতি আৰু লোককলাক সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰিসৰতো সুদূৰপ্ৰসাৰীভাৱে পৰিচিত আৰু প্ৰতিষ্ঠিত কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে।

কোঁচ ৰাজবংশী জনগোষ্ঠীৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বিকাশৰ ক্ষেত্ৰতো বিভাগে ধাৰাবাহিকভাৱে গুৰুত্ব আৰোপ কৰি আহিছে। সেই অনুসৰি বিভিন্ন কোঁচ ৰাজবংশী জাতীয় সংগঠনৰ সহযোগত **বীৰ সেনানায়ক মহাবীৰ চিলাৰায় দিৱস** প্ৰতিবছৰে কেন্দ্ৰীয়ভাৱে সগৌৰৱে উদযাপন কৰা হয়। উক্ত অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কোঁচ ৰাজবংশী জনগোষ্ঠীৰ ঐতিহ্য আৰু সাংস্কৃতিক বৈশিষ্ট্য প্ৰতিফলিত কৰা বিশেষ প্ৰদৰ্শনী, থলুৱা গীত-মাত, কুশান গীত, পৰম্পৰাগত নৃত্য, লোকবাদ্য, লোকশিল্প আৰু অন্যান্য সাংস্কৃতিক পৰিৱেশনৰ ব্যৱস্থা কৰা হয়, যিয়ে জনগোষ্ঠীটোৰ ঐতিহ্যবাহী সংস্কৃতিক অধিক বিস্তৃত পৰিসৰত জনসমাজৰ আগত উন্মোচন কৰাৰ এক বলিষ্ঠ মঞ্চ প্ৰদান কৰে।

ইয়াৰ উপৰিও, কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বিশিষ্ট শিল্পী, লোকশিল্পী, সাংস্কৃতিক সাধক আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱা ব্যক্তিসকলক ৰাজ্যিক পৰ্যায়ৰ বঁটা, শিল্পী পেঞ্চন, বাৰ্ষিক শিল্পী সন্মান আদি প্ৰদান কৰাৰ লগতে চৰকাৰৰ পৃষ্ঠপোষকতাত আয়োজিত বিভিন্ন সাংস্কৃতিক উৎসৱ, ৰাজ্যিক অনুষ্ঠান আৰু বিশেষ কাৰ্যসূচীত অংশগ্ৰহণৰ সুযোগ প্ৰদান কৰা হয়। ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ সমৃদ্ধ লোকসংস্কৃতি, শিল্পকলা আৰু সাংস্কৃতিক পৰম্পৰাক অধিক ব্যাপক পৰিসৰত উপস্থাপন, সংৰক্ষণ আৰু প্ৰচাৰৰ এক সুদৃঢ় সুযোগ লাভ কৰি আহিছে।

তদুপৰি, অসমৰ অমূল্য লোক-সাংস্কৃতিক সম্পদ **কুশান নৃত্য** আৰু **কুশান গীত**ৰ সংৰক্ষণ, নথিভুক্তকৰণ, পুনৰ্জীৱন আৰু ব্যাপক প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে সংশ্লিষ্ট বিভাগসমূহৰ সৈতে সমন্বয় সাধন কৰি এক সমন্বিত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণৰ সম্ভাৱনা বিবেচনা কৰিব। এই পৰিকল্পনাৰ অন্তৰ্গতভাৱে বৃহৎ পৰিসৰৰ **গণ-সাংস্কৃতিক পৰিৱেশন (Mass Cultural Performance)**, **ৰাজ্যিক পৰ্যায়ৰ কুশান মহোৎসৱ (State-level Festival)**, **তথ্যচিত্ৰ নিৰ্মাণ (Documentary Film)**, **ডিজিটেল আৰ্কাইভ (Digital Archive)**, গৱেষণা, নথিভুক্তকৰণ, দক্ষতা বিকাশমূলক কৰ্মশালা আৰু অন্যান্য সুসংগঠিত সাংস্কৃতিক উদ্যোগ গ্ৰহণৰ বিষয়সমূহ বিবেচনাধীন ৰখা হ'ব, যাতে কুশান পৰম্পৰাৰ ঐতিহ্য ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুসংৰক্ষিত হোৱাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰিসৰতো অধিক সুপ্ৰতিষ্ঠিত হ'ব পাৰে।

গ) অসমৰ শিল্পীসকলৰ তথ্য সংৰক্ষণ কৰাৰ বাবে Artist Registration ৰ এটা Dedicated পৰ্টেল develop কৰাৰ ক্ষেত্ৰত পৰিকল্পনা বিবেচনাধীন হৈ আছে ।

ইয়াৰোপৰি, ভট্টদেৱ বিশ্ববিদ্যালয়ে **ভাৰতীয় জ্ঞান পৰম্পৰা (Indian Knowledge System)**-ৰ অধীনত কোঁচ লোক-সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ২৬ জুন, ২০২৫ তাৰিখে আনুষ্ঠানিকভাৱে কাৰ্য আৰম্ভ কৰিছে আৰু এই ক্ষেত্ৰত অদূৰ ভৱিষ্যতে বিভিন্ন সংশ্লিষ্ট কাৰ্যসূচী আৰু পদক্ষেপ গ্ৰহণ কৰাৰ পৰিকল্পনা আছে।

কৃষ্ণ কান্ত সন্দিকৈ বিশ্ববিদ্যালয়ৰ চাৰি বছৰীয়া স্নাতক (FYUG) কাৰ্যসূচীৰ অসমীয়া বিষয়ৰ পাঠ্যক্ৰমত অসমীয়া সংস্কৃতি, লোক-সংস্কৃতি আৰু অসমীয়া নাট্যধাৰাৰ সৈতে সম্পৰ্কিত পাঠ্য অন্তৰ্ভুক্ত কৰিছে। এই সমূহৰ ভিতৰত বৈষ্ণৱ আন্দোলন , সত্ৰীয়া সংস্কৃতি, কুশান নৃত্য, কুশান গান আদি বিষয়ো সন্নিবিষ্ট আছে।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰতি বছৰে নামভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ এক উল্লেখযোগ্য অংশ কোঁচ-ৰাজবংশী সম্প্ৰদায়ৰ। সেই পৰিপ্ৰেক্ষিতত, বিভাগটোৰ স্নাতকোত্তৰ (PG) স্তৰৰ বহুতো গৱেষণা প্ৰবন্ধ (Dissertation) কোঁচ-ৰাজবংশী সম্প্ৰদায়ৰ জীৱন-যাপন, সংস্কৃতি আৰু ঐতিহ্যৰ ওপৰত প্ৰস্তুত কৰা হৈছে। এই গৱেষণা প্ৰবন্ধসমূহ উক্ত সম্প্ৰদায়ৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ মূল্যৱান দলিল হিচাপে পৰিগণিত।

ইয়াৰ উপৰিও, বিভাগটোত কোঁচ-ৰাজবংশী সম্প্ৰদায়ৰ সংস্কৃতি বিষয়ক দুটা পি-এইচ.ডি. (Ph.D.) গৱেষণা সম্পন্ন হৈছে আৰু ডিগ্ৰী প্ৰদান কৰা হৈছে। এই গৱেষণাসমূহ নথিভুক্তকৰণ আৰু গৱেষণাৰ দৃষ্টিকোণৰ পৰা বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। গৱেষণাসমূহ হৈছে—

১। **"অবিভক্ত গোৱালপাৰা জিলাৰ কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা : এক পৰিৱেশতাত্ত্বিক অধ্যয়ন"** — গৱেষক: চক্ৰধৰ ৰায়; গৱেষণা-নিৰ্দেশক: ড০ ৰ াতুল ডেকা।

২। **"কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ : এক বিশ্লেষণাত্মক অধ্যয়ন"** — গৱেষক: সেৱালী ৰায়; গৱেষণা-নিৰ্দেশক: ড০ ডেইজী ৰাণী ডেকা।

মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়েও থলুৱা কলা-কৃষ্টিসমূহৰ সংৰক্ষণৰ বাবে প্ৰতিষ্ঠানিক প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে আৰু কুশান সংস্কৃতিৰ জ্যেষ্ঠ সমল ব্যক্তি বা গুৰুসকলক আমন্ত্ৰণ জনাই শিক্ষাৰ্থীসকলৰ মাজত ইয়াৰ পৰিবেশন ৰীতি, সাজ-পোছাক আৰু পৰম্পৰাগত বাদ্যযন্ত্ৰৰ প্ৰশিক্ষণ কৰ্মশালা ভৱিষ্যতে অনুষ্ঠিত কৰিব পৰা যাব।

ঘ) কোঁচ ৰাজবংশী সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে কামৰূপ জিলাৰ আমিনগাওঁত বীৰ চিলাৰায় দেৱৰ নামত এখন উদ্যান নিৰ্মাণ কৰা হৈছে।

অসম চুক্তিৰ ৬ নং দফাৰ ওপৰত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বাধীন উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শ অনুসৰি ৰূপায়ণ কৰিবলগীয়া কাৰ্য পৰিকল্পনাৰ অন্যতম পদক্ষেপ হিচাপে জিলাসমূহ আৰু সহ-জিলাসমূহত প্ৰতিটো জনজাতি আৰু অন্যান্য জনগোষ্ঠীয় সম্প্ৰদায়ৰ বাবে বহুমুখী সাংস্কৃতিক প্ৰকল্প (Multipurpose Cultural Complexes) নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

প্ৰস্তাৱিত সাংস্কৃতিক প্ৰকল্পসমূহৰ নিৰ্মাণৰ বাবে স্থান নিৰ্ধাৰণ, লগতে ইয়াৰ ধাৰণা, নক্সা, পৰিকল্পনা আৰু ব্যয় প্ৰাক্কলন চূড়ান্ত কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট জনজাতি আৰু জনগোষ্ঠীয় সংগঠনসমূহৰ সৈতে পৰামৰ্শ-বিনিময় কৰাৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগে এখন সমিতি গঠন কৰি অধিসূচনা No. CAD eCF No.737923/15 dated 03/02/2026 জাৰি কৰিছে।

সংশ্লিষ্ট জনগোষ্ঠীয় সংগঠনসমূহৰ সৈতে আলোচনা আৰু পৰামৰ্শ গ্ৰহণৰ প্ৰক্ৰিয়া বৰ্তমান চলি আছে আৰু অতি সোনকালে এই আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

ইয়াৰোপৰি dedicated cultural Centre archive, folk performance stage অথবা district-level Kushan training Centre স্থাপন কৰাৰ ক্ষেত্ৰত উপযুক্ত পুঁজিৰ আৱন্টন সাপেক্ষে যথা সময়ত যথোচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

*******